মূলতঃ অসম ভূমিত সত্তৰৰ উত্তাল কমিউনিজমৰ ক্ৰমশঃ জাগৰণমুখী ৰূপক খুব পৰিকল্পিতভাৱে এচাম ধুৰন্ধৰ ৰাজনৈতিক দ্ৰোণাচাৰ্যৰ উচটনিত চলা নিধন পৰ্বৰ সেই বৰ্বৰ ইউনিফাইড অপাৰেশ্যন অৰ্থাৎ এফালে উগ্ৰ অন্ধ জাতিপ্ৰেমীৰ বিদেশী খেদাৰ ইছ্যুৰ এফালে কমিউনিষ্ট নিধন আৰু আনফালে বাংলাদেশীৰ ধাৰাবাহিক হত্যা তথা '৮৩ৰ ইন্দিৰা আমোল, ৰাষ্ট্ৰপতি শাসনৰ দমনমূলক হিটলাৰী ফেচিজিম আৰু পৰৱৰ্তী পৰ্যায়ত আলফাৰ আৱিৰ্ভাৱৰ সু-কৌশলী প্ৰয়োগ-প্ৰক্ৰিয়াৰ কালছোৱাতে এক সুস্থ জাতীয়তাবাদী ধাৰাৰে কমিউনিজমৰ পোষকাত কৰা কৃষক নেতা কমৰেড কমল গগৈ, বৌদ্ধিক উচ্চতাৰে সৃষ্টিশীল যুৱনেতা সৌৰভ বৰা তথা পৰৱৰ্তী পৰ্বত শ্ৰদ্ধাৰ অনিল বৰুৱা নিৰ্মম ৰাজনৈতিক হত্যা আমাৰ বাবে আজিও এক অসহনীয় শোকাকুল স্মৃতি। আজিৰ অনেক ফুলাম ৰথী-মহাৰথীৰ অনেক অসুস্থ চিন্তা-ৰসায়নৰে নিৰ্মিত হোৱা সেই সময়ছোৱাৰ উগ্ৰ-জাতীয়তাবাদী 'ৰাজনৈতিক বেহুত' অভিমন্যুৰ ৰূপত অতি যন্ত্ৰণাকাতৰতাৰে মৰণ ঘটিছিল আমাৰ বহু সম্ভাৱনাময় সতীৰ্থ সংগীৰ। যাৰ অনুপস্থিতিৰ সেই মহাকাব্যিক যন্ত্ৰণা আ-মৃত্যু পাহৰা নাযায়।

পাণবজাৰৰ ৰাজপথত সেই সময়ছোৱাতে দিনৰ পোহৰত নিৰ্দয় অপমানেৰে ধাৰাসায়ী হৈছিল ভাৰতবৰ্ষৰে বৌদ্ধিক ব্যক্তিত্ব, মানৱিক বুদ্ধিজীৱী ডঃ হীৰেন গোহাঁই ছাৰ। ৰাজপথত, স্ব-গৃহত প্ৰায় কুকুৰ-মেকুৰিৰ দৰে লাঞ্চিত, অপমানিত হৈছিল, মৃত্যুৰ ধাৰাবাহিক ভাবুকি পাইছিল আমাৰ সতীৰ্থ বহু কবি, গল্পকাৰ, নাট্যকাৰ, গায়ক, চিত্ৰকৰ তথা চলচ্চিত্ৰকাৰ বন্ধু-সতীৰ্থই। চকুৰ সমুখতে দেখি প্ৰায় বোবা হৈ পৰিছিলোঁ বহু অ-মানৱিক হত্যাকাণ্ড। যিবোৰৰ বহু চিত্ৰপট, বহু চিত্ৰগাঁথা মোৰ বহু বুকু ভগা উচুপনি হৈ ইতিমধ্যেই লিপিবদ্ধ হৈ গৈছে মোৰ 'জীৱনৰ সুহুৰি' শীৰ্ষক 'আত্ম-জীৱনীৰ বিপৰীতে জীৱনৰ খণ্ডিত অনুভৱ' নামৰ ডায়েৰীখনত?

সেই সময়ছোৱাতে প্ৰত্যক্ষ কৰি চিঞঁৰি উঠিছিলোঁ, ইণ্ডিয়া টুডে, টেলিগ্ৰাফৰ পাতত, মিডিয়াৰ ছবিত দেখা সেই চিৰ শোকাকুল অমানৱীয়তাৰ বধ্যভূমি নেলী-গহপুৰ। যাৰ বেদনা, যাৰ অপমান থাকি যাব আমাৰ বুকুৱে বুকুৱে শোক খোদিত ৰূপত হিম শীতল শিলাময় ফলক এখন হৈ জীৱনৰ অন্তিম নিশ্বাস পৰ্যন্ত।

* * *

*লাভ কি হ'ল?*
*টোঁৰা সাপৰ ফুচফুচনিৰে*
*এতিয়া আমি মাৰিছোঁ নিতাল*
*আমাৰ স্বৰ্ণময় বৃন্দাবনত।*

*আৰু মন গ'লেই টানি উন্মোচন কৰিছোঁ*
*সেই কৌশলী আঁৰ কাপোৰ*
*দেখুৱাইছোঁ এক ধাৰাবাহিক নাটকৰ*
*নতুন ক্ৰমৰ অন্য এক দৃশ্যপট*

*ভাহি উঠে য'ত সকলোৰে দৃষ্টিৰেখাত*

*অন্য এক পণ্য বজাৰৰ*
*অন্য এখন কচাইখানা।*

## আৰু তিনিটা স্নেপ্ শ্বট

### (এক)

বোধ কৰোঁ একাশী-বিৰাশী চনৰ কথা। অসমৰ এক বিশেষ প্ৰান্তত নৈশ বাছেৰে আহি দোকমোকালি এটাত ক্লান্ত অৱসন্ন হৈ নামিছোঁহি। ৰাতি এটাৰ উজাগৰী যাত্ৰাৰ অন্ত। ভীষণ মন গ'ল চাহ একাপ খাবলৈ। কিন্তু নাই। প্ৰায়ে ভ্ৰমণ ক্ষণত পাৰ হৈ যোৱা মোৰ এই বহু পৰিচিত সৰু চহৰখনত নৈশ যাত্ৰীক আদৰিবলৈ এখনো দোকান-পোহাৰ নাই যে? কিয় ইমান উদং — গোমা আজিৰ এই দোকমোকালিৰ এই চহৰ। হঠাৎ দৃষ্টি গ'ল ক্ষন্তেক পূৰ্বে হয়তো আহি পোৱা মোৰ দৰে অদূৰৰ এচাম নৈশ যাত্ৰীৰ জুমলৈ। কিবা যে উৎকণ্ঠাৰে প্ৰত্যক্ষ কৰিছে। চকুৱে-মুখে যেন সন্দেহ, ফুচফুচনি। ময়ো কান্ধতে বেগটো লৈ কাষ চাপি গ'লোঁ। ই কি? মোৰ মূৰৰপৰা ভৰিলৈকে শৰীৰ দুফাল কৰি যেন এক বজ্ৰপাত। দেখিছোঁ, চিনেমাৰ প'ষ্টাৰ আঁৰা বৃহৎ হ'ডিং এখনত কেইবাদালো কুল-পঁচা-যাঁঠিৰে সীঁ থৈছে এক সুস্থ-সুঠাম যৌৱন উত্তাল যুৱকক। আৰু তেওঁৰ আছে বোধহয় এই শীতত তেওঁৰেই পিন্ধি থকা এটা ক'লা ৰঙৰ উলৰ চুৱেটাৰ।

*ক্ৰুছবিদ্ধ যীশু?*
*চাৎকৈ মই দুচকু জপাই দিলোঁ।*
*আস। কি ভয়ানক, কি সু-কৌশলী*
*এই পাব্লিক ডিচ্প্লেয়িং।*

পিছত জানিব পাৰিলোঁ যুৱকজনৰ এই প্ৰদত্ত মৃত্যু হেনো তেওঁৰেই এক 'ৰাজনৈতিক(!)' ওভতনি যাত্ৰাৰ ফচল। এদিনৰ এক দুৰন্ত আলফা সেই যুৱকজন ক্ৰমশঃ এদিন মূলসুঁতিৰ 'ছালফা' হৈ কালক্ৰমত চৰকাৰী বেহুত আবদ্ধ এক চোৰাংচোৱালৈ ৰূপান্তৰিত হৈছিল। হায়! কি পৰিহাসপূৰ্ণ এক 'পলিটিকেল' মেটামৰফ'ছিচ!

### (দুই)

সেই সময়ছোৱাতে এদিন নিচেই পুৱা মোৰ ভাতৃপ্ৰতিম সংবাদকৰ্মী এজনে হঠাৎ ফোনত জনালে, — 'ৰফিকদা, আলফা এজনৰ ডেডব'ডি এটা চাব নেকি?' মোৰ উৎকণ্ঠিত প্ৰশ্ন — 'ক'ত?' সিফালৰ উত্তৰ — 'জাষ্ট টাউনৰপৰা আঠ কিলোমিটাৰমান ডিষ্টেনছত। ভিতৰুৱা গাঁও এখনত।' — 'কি নাম গাঁওখনৰ?' সিমূৰৰ উত্তৰ — 'নাম এতিয়াই নকওঁ । আপোনাক চাৰপ্ৰাইজ্ দিম। ৰেডি হওক। গেট ৰেডি।'

ক্ষন্তেক পিছতেই আমি দুৰন্ত গতিৰে বাইকেৰে যাত্ৰা কৰিলোঁ ঘটনা সংঘটিত থলিলৈ। স্পট পাই দেখিলোঁ এডৰা ঘন বাঁহনিৰ ঠিক পিছতে থকা আহিন মাহৰ সঁজাল ধৰা পথাৰ এখনত প্ৰায় দুঘন্টা পূৰ্বে আৰ্মি-পুলিচৰ স'তে ঘটি যোৱা এক ভয়ানক এনকাউন্টাৰৰ এক পৰাজিত যুৱক সৈনিক (আলফা) তললৈ পেট পেলাই হাত-ভৰি মেলি পৰি আছে। তেজৰ ডোঙা। নিথৰ সৈনিক যুৱকজনৰ মূৰৰপৰা উফৰি ওলাই যোৱা মগজুৰ ঘিউবোৰ নিচেই কাষতে থকা পিতনি সদৃশ পানী এডোঙাত ওপঙি আছে। আৰু ওপঙি থকা সেই মগজুৰ ঘিউবোৰ খুটিয়াই খুটিয়াই মহানন্দে খাই উমলি আছে সেই পিতনিৰ পানীতে থকা এজাক নাচনী লালুকীয়ে!

*ইয়াকে কয় চাগে*
*জীৱন মৃত্যুৰ মহাকাব্যিক বিষাদ।*

### (তিনি)

'৮৩ৰ ঠিক তেনে এক আতংকময়, তেনে এক ৰ'দবিহীন, জোনাকবিহীন, সেই কুঁৱলি ধূসৰ বিষাদময় দিন এটাতে হঠাৎ গৈ উপস্থিত হৈছিলোঁগৈ মোৰ শিল্প-কথা যাত্ৰাৰ খণ্ডবিশেষ প্ৰদৰ্শনৰ তাগিদাতে তাহানিতে এৰি অহা সেই ওদালগুৰি চহৰৰ সেই ভূটান কাষৰীয়া নৈ গুলন্দিৰ পাৰত। অনন্ত অনুসন্ধান, অনন্ত সোধ-পোছৰ অন্ততো কোনেও জনাব নোৱাৰিলে মোৰ সেই কবিৰা ফকীৰ, কবিৰ নানাৰ খবৰ। নাই, স্থানীয় বাসিন্দা কোনেও চিনি নাপায় কবিৰা ফকীৰক। হঠাৎ তেনেতে আৱিৰ্ভাৱ হ'ল হোতোৰা হোতোৰ গালৰ পক্ককেশী, দুচকু চানিৰে আৱৰি ধৰা এগৰাকী বৃদ্ধাৰ। দিলে, তেওঁ দিলে কবিৰা ফকীৰৰ সঠিক সংবাদ। কবিৰা ফকীৰ ঢুকালে! নেলীত। গৈছিল তালৈ এটা ফকীৰী গানৰ মজলিচ কৰিবলৈ। বুঢ়ীৰ ভাষাত মজলিচ চলি থাকোঁতেই বোলে মানুহ কটা যুদ্ধ এখন হৈছিল। আৰু তাতেই হোনো কবিৰাক কৰা হৈছিল শিৰচ্ছেদ।

*এটা ৰবীন পখীৰ শিৰচ্ছেদ।*
*কি বাজিছিল তেতিয়া,*
*কবিৰাৰ ডিঙিৰ কলথল তেজত?*
*এটা কাতৰ জল তৰংগ?*

সেই পক্ককেশী বুঢ়ী কবিৰা নানাৰ ভগ্নী, নাম বাহাৰী। তেওঁৰ বাহিৰে আজি কোনেও চিনি নাপাই মোৰ 'অৰণ্যৰ কবিৰা ফকীৰ'ক!

শীত ধূসৰ সেই সেমেকা আবেলি বিষণ্ণ মনেৰে ওভতাৰ পথত হঠাৎ সমুখৰপৰা আহি থকা দেখিলোঁ অন্য এক গালিবীয় চেহেৰাৰ যুৱক ফকীৰ। মই শ্বাসৰুদ্ধ গতিৰে পলকতে আগুৱাই গৈ বাট ভেটি থমকি ৰ'লোঁ তেওঁৰ সমুখত। আকুল আৱেগেৰে সুধিলোঁ — 'ভাই, তুমি কবিৰা ফকীৰৰ কি হোৱা? সেই যে কবিৰা নানা, সেই যে দোতাঁৰা, টোকাৰী, সেই যে বাউল গীত, ভাঙৰ চিলিম? তোমাৰ কি হয় তেওঁ? আব্বাজান নে তুমি তেওঁৰ নাতি?' বৰ বিষণ্ণ চাৱনিৰে, ভীষণ হিম শীতল নীৰৱতাৰে তাৰ গৌৰীয় নাক-চকুৰে কিছুপৰ সি এক অবাক অভিব্যক্তিৰে মোৰ মুখ প্ৰত্যক্ষ কৰি ধীৰে ধীৰে মূৰ জোকাৰিলে — 'নাঃ!' সি চিনি নাপায়। মই ব্যাকুলভাৱে, অনুচ্ছ স্বৰেৰে সুধিলোঁ — 'সঁচাই নোপোৱা? কোৱাচোন কোৱা, নিৰ্ভয়ে কোৱা।' কৈয়ে মই তাৰ হাত দুখন গভীৰ আৱেগেৰে খামুচি ধৰিলোঁ। তেনেতে মোৰ কাষতে থিয় হৈ থকা, মোৰ স'তে তালৈ যোৱা মোৰ সতীৰ্থ বড়ো বন্ধুজনে ক'লে — 'হোছেইন, বাদ দিয়ক এই সন্ধান।' মোৰ প্ৰশ্ন — 'কিয়?' বন্ধুৰ উত্তৰ — 'সি মুখ ফুটাই ক'ব নোৱাৰিব। তাক মই চিনি পাওঁ।' মই চিৎকাৰী উঠিলোঁ — 'কিয়, কিয় ক'ব নোৱাৰিব?' বন্ধুৰ সেমেকা উত্তৰ — 'সি বোবা!' মোৰ ওভতনি প্ৰশ্ন — 'বোবা?' বন্ধুৰ পুনৰ এক সেমেকা উত্তৰ — 'অ' আজি এবছৰ আগতে এক গণ সংঘৰ্ষত তাক গছত বান্ধি তাৰ চকুৰ সমুখতে তাৰ মাক আৰু ভনীয়েকক এচাম গণ-পিশাচে উলংগ কৰি ধৰ্ষণ কৰি হত্যা কৰিছিল। হত্যা কৰিছিল তাৰ বাপেক আৰু খুড়াককো। তাৰ ওপৰতো চলিছিল অনেক শাৰীৰিক টৰ্চাৰিং! আতংকত বহুদিন সি ভ্ৰম হৈ আছিল। হেৰুৱাইছিল তাৰ ডিঙিৰ মাত। তাৰ শ্ৰৱণ শক্তি।

* * *

পুনৰ কওঁ, মোৰ সেই ১৯৮৪ চনতে প্ৰকাশিত আৰু এই পৰ্যন্ত মোৰ একমাত্ৰ কবিতা সংকলন 'শৰবিদ্ধ আকাশ'ৰ পাতে পাতে সিঁচৰিত হৈ থকা ১৯৭৯ ৰপৰা ক্ৰমশঃ বিদেশী খেদা অসম আন্দোলন, আলফা শক্তিৰ উত্থান, '৮৩ৰ জৰুৰী অৱস্থাৰ সেই ঘনঘোৰ ৰুদ্ধশ্বাস সময়ছোৱাত লাভ কৰা এই শোকাকুল অভিজ্ঞতাসমূহ, জীৱন-মৃত্যুৰ সেই বৰ্ণ-বিবৰ্ণ ছবিবোৰ হয়তো ভিন্ন ৰূপত কেতিয়াবা 'ৰাতিৰ ব'ৰাগী' হৈ কেতিয়াবা 'মাজনিশা' হৈ, কেতিয়াবা 'অৰণ্যত কবিৰা ফকীৰ' অথবা কেতিয়াবা 'অৰণ্য কথা' হৈ সোমাই পৰিছিল বনৰীয়া গোনা ম'হ যেন অমানৱিক পৃথিৱীৰ ৰাতিৰ সেই কজলা অৰণ্যত অনুচ্চ স্বৰত বিয়পি থকা এজাক ভীতগ্ৰস্ত চৰাইৰ দৰে এক দীঘলীয়া নিজান সুহুৰি হৈ।

বচ্! ইয়াতকৈ আৰু একো মাত্ৰাবিশিষ্ট কাব্যিক নান্দনিক সজ্জাৰ কোনো ঘটনাৰ ঘটনা ঘটা নাছিল মোৰ এই শৰবিদ্ধ আকাশত।

মই মাত্ৰ সাধাৰণভাৱে কেৱল নাটক-কবিতাৰ মানুহ। এটা যুগ বা এটা ইতিহাসৰ সঠিক আৰু বৌদ্ধিক মাত্ৰাৰ এক ৰাজনৈতিক বিশ্লেষণ সু-ক্ষমতা তথা পৈনত দক্ষতা মোৰ সমূলি নাই। তথাপি প্ৰায়ে যেতিয়া মোৰ জীৱন ভ্ৰমণৰ অনেক ছাঁ-পোহৰৰ মাজে মাজে এই খণ্ডিত নাট্য দৃশ্যবোৰে ভুমুক্কৈ মোৰ অনেক নিঃসংগ মুহূৰ্তবোৰত ভুমুকি মাৰেহি, তেতিয়া ভাব হয়, স্ব-জাতি, স্ব-কৃষ্টি অথবা স্ব-ভাষাৰ উত্থান আৰু উজ্জ্বল নিৰাপত্তাৰ চেতনাৰে আমাৰ জাতিটোৰ সামাজিক জাতিসত্তাৰ আন্তঃগাঁথনিত থকা সেই ক্ষুদ্ৰ ক্ষুদ্ৰ বিভিন্ন জনগোষ্ঠীয় সত্তাৰ বহু বৰ্ণময় আৰু বৈচিত্ৰ্যময় ঐক্য-অনৈক্যৰ বিন্যাস প্ৰক্ৰিয়া এক সঠিক বিজ্ঞানসন্মত তথা সুস্থ মানৱীয় আৱেগৰ পৰিশীলিত যুক্তিৰ আধাৰত যেন আজিও নহ'ল!

### সমাপ্তিত

মোৰ 'অৰণ্য কথা' আন একোৱেই নহয়, ই মাথোঁ মানুহৰ মানৱীয়তা আৰু জীৱনবোধৰ সেই সৰল-নিস্পাপ, সেই গোপন অদৃশ্য স্বৰ্গীয় অনুভৱবোৰ ভূ-লুণ্ঠিত হোৱাৰ, সমগ্ৰতাৰপৰা খণ্ডিত হৈ যোৱাৰ এক অন্তহীন-এডিঙি বিষাদ। এবুকু উচুপনি। অনুচ্চ উচুপনি মাথোন!



OKDISCD